सत्यमेव जयते

# অসম বিধান সভা

## পৰৱৰ্ত্তী (ছেপ্তেম্বৰ) অধিবেশন, ২০১৭

## বেলটৰ তাৰিখ আৰু প্ৰশ্ন সমূহৰ জাননী পোৱাৰ শেষ তাৰিখৰ তালিকা

পঞ্চম অধিবেশন, ২০১৭

চতুৰ্দ্দশ অসম বিধান সভা
দিশপুৰ

**৮ আগষ্ট, ২০১৭**

## বিধান সভাৰ প্ৰশ্ন সমূহৰ বাবে বিভিন্ন বিভাগৰ দিনসমূহৰ ক্ৰমানুসাৰ আৱণ্টন

................

**সোমবাৰ ঃ**
**গ্ৰুপ 'ক'**
গৃহ; ৰাজনৈতিক; সীমান্ত অঞ্চল উন্নয়ন; অসম চুক্তি ৰূপায়ণ; সাধাৰণ প্ৰশাসন ; সচিবালয় প্ৰশাসন; প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ; নিৰ্বাচন; তথ্য আৰু জনসংযোগ; ছপা আৰু লেখন সামগ্ৰী; ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা; সমাজ কল্যাণ; ন্যায়িক, বিধায়িনী ; আইন; সংখ্যালঘু কল্যাণ ও উন্নয়ন; পাৰ্ব্বত্য অঞ্চল; শক্তি, শ্ৰম কল্যাণ; চাহ জনজাতি কল্যাণ; { ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা আৰু শক্তি ( মুখ্যমন্ত্ৰীৰ সহায়ক হিচাবে ৰাজ্যিক মন্ত্ৰী)} আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত বিশেষ ভাৱে ন্যস্ত নকৰা আন যিকোনো বিভাগ সমুহ।

**মঙ্গলবাৰ ঃ**
**গ্ৰুপ 'খ'**
বিত্ত; পৰিকল্পনা আৰু উন্নয়ন; স্বাস্থ্য আৰু পৰিয়াল কল্যাণ; শিক্ষা ( উচ্চ, মাধ্যমিক, প্ৰাথমিক ) পৰ্য্যটন; হস্ততাঁত, বস্ত্ৰ ;(কেৱল খাদী আৰু গ্ৰাম্য উদ্যোগ); গুৱাহাটী উন্নয়ন; সমবায়, পেঞ্চন আৰু ৰাজহুৱা অভিযোগ; পঞ্চায়ত আৰু গ্ৰামোন্নয়ন; ক্ৰীড়া আৰু যুৱ কল্যাণ; সাংস্কৃতিক পৰিক্ৰমা ।

**বুধবাৰ ঃ**
**গ্ৰুপ 'গ'**
কৃষি; উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্ততকৰণ ;পশুপালন ও পশুচিকিৎসা; নগৰ উন্নয়ন; নগৰ আৰু গ্ৰাম্য পৰিকল্পনা; বাণিজ্য আৰু উদ্যোগ, পৰিবহন, সংসদীয় পৰিক্ৰমা; দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগ ।

**বৃহস্পতিবাৰ ঃ**
**গ্ৰুপ 'ঘ'** ;
পৰিবেশ আৰু বন; ভূমিসংৰক্ষণ; ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী, সমূহৰ কল্যাণ; খনিজ আৰু খনিজাত সম্পদ; জলসম্পদ; বিজ্ঞান আৰু প্ৰযুক্তি, তথ্য প্ৰযুক্তি; জনস্বাস্থ্য কাৰিকৰী; খাদ্য,অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা।

**শুক্ৰবাৰ ঃ**
**গ্ৰুপ 'ঙ'**
গড়কাপ্তানী (পথ, গৃহ,ৰাষ্ট্ৰীয় ঘাইপথ সমুহ); মীন; আবকাৰী ; জলসিঞ্চন; হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম;( খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি ) ।

চতুৰ্দশ অসম বিধান সভাৰ **২০১৭** চনৰ পঞ্চম পৰৱৰ্ত্তী (ছেপ্তেম্বৰ) অধিবেশনৰ কালছোৱাত বেলটৰ তাৰিখ আৰু প্ৰশ্ন সমূহৰ জাননী প্ৰাপ্তিৰ অন্তিম তাৰিখৰ তালিকা

| ক্ৰমিক নং | বৈঠকৰ তাৰিখ | গ্ৰুপ | প্ৰশ্নৰ জাননী সমূহৰপ্ৰশ্ন সমূহৰ বাবে অনুষ্ঠিত হবলগীয়া বেলট ( সমূহ) ৰ তাৰিখ | প্ৰাপ্তিৰ শেষ তাৰিখ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| ১ | ০৪-০৯-২০১৭ | **ক** | ২৪-০৮-২০১৭ | ২৪-০৮-২০১৭ | |
| ২ | ০৫-০৯-২০১৭ | **খ** | ২৫-০৮-২০১৭ | ২৫-০৮-২০১৭ | |
| ৩ | ০৬-০৯-২০১৭ | **গ** | ২৫-০৮-২০১৭ | ২৫-০৮-২০১৭ | |
| ৪ | ০৭-০৯-২০১৭ | **ঘ** | ২৫-০৮-২০১৭ | ২৫-০৮-২০১৭ | |
| ৫ | ০৮-০৯-২০১৭ | **ঙ** | ২৮-০৮-২০১৭ | ২৮-০৮-২০১৭ | |

**টোকা ঃ** চতুৰ্দশ অসম বিধান সভাৰ পৰৱৰ্ত্তী (ছেপ্তেম্বৰ) অধিবেশনৰ বাবে তৰাচিহ্নিত আৰু তৰাবিহীন প্ৰশ্ন সমূহৰ জাননী বিধান সভা সচিবালয়ৰ জাননী কাৰ্য্যালয়ত **২০১৭** চনৰ **৮** আগষ্ট, অৰ্থাৎ জাননী সমূহ প্ৰেৰণ কৰা তাৰিখৰ পিছদিনাখনৰ কাৰ্য্যকৰী দিনৰ পৰা গ্ৰহণ কৰা হ'ব ।

অসম বিধান সভাৰ মাননীয় সদস্য/সদস্যা সকলৰ সুবিধাৰ্থে তৰাচিহ্নিত আৰু তৰাবিহীন প্ৰশ্নৰ জাননী সমূহৰ বেলট অনুষ্ঠিত কৰা তাৰিখ ওপৰোক্ত বেলট তালিকাৰ ৪ নং কলমত নিৰ্দিষ্ট কৰা তাৰিখ সমূহত অনুষ্ঠিত কৰা হ'ব। প্ৰশ্ন সমূহ প্ৰাপ্তিৰ শেষ তাৰিখৰ অৰ্থাৎ ওপৰোক্ত ৫ নং কলমত নিৰ্দ্ধাৰিত তাৰিখ সমূহৰ আবেলি **১-৩০** বজাৰ পিছত বিধান সভা সচিবালয়ৰ দ্বাৰা প্ৰশ্ন সমূহৰ জাননী গ্ৰহণ কৰা নহ'ব ।

বিধান সভাৰ ভৱনৰ ৩৩ নং কোঠাত আবেলি **১-৩০** বজাত ওপৰোক্ত ৪ নং কলমত নিৰ্দ্ধাৰিত কৰা তাৰিখ সমূহত বেলট অনুষ্ঠিত হ'ব ।

বেলটৰ তাৰিখ আৰু প্ৰশ্ন সমূহৰ জাননী প্ৰাপ্তিৰ শেষ তাৰিখৰ তালিকা আনুমানিক আৰু অধিবেশনৰ কাৰ্য্যকাল কাৰ্য্য উপদেষ্টা সমিতিৰ অনুমোদন সাপেক্ষে হ'ব।

(স্বাক্ষৰিত) ৮/৮/১৭

**প্ৰধান সচিব,**
**অসম বিধান সভা ।**

স্মাৰক নং এল এ কিউ **৩৩**/২০১৭/১২৩০-১২৩২ দিনাংক দিশপুৰ, **৮** আগষ্ট, **২০১৭** চন।

১। অসম বিধান সভাৰ অধ্যক্ষৰ ব্যক্তিগত সচিবৰ জৰিয়তে অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ ওচৰত দাখিল কৰাৰ বাবে, দিশপুৰ গুৱাহাটী - ৬ ।

২। অসম বিধান সভাৰ সমূহ মাননীয় সদস্য /সদস্যাৰ জ্ঞাতাৰ্থে প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল ।

৩। ভাৰপ্ৰাপ্ত বিষয়া,ৱেব ছাইট, অসম বিধান স ভা সচিবালয়।

**প্ৰধান সচিব,**
**অসম বিধান সভা ।**

.......